নিয়মীয়া বাৰ্তা
VOL-15 ☐ NO-348 ☐ WEDNESDAY 25 FEBRUARY 2026
(ডিব্ৰুগড় সংস্কৰণ)/DIB

# কানৈ মহাবিদ্যালয়ত আলোচনা-চক্ৰ

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৪ ফেব্ৰুৱাৰী ঃ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ নৃতত্ত্ব বিভাগৰ উদ্যোগত গৱেষণা আৰু উন্নয়ন কোষৰ সহযোগত ২৬ আৰু ২৭ ফেব্ৰুৱাৰীত 'Population health and well-being in India with special reference to Northeast India (ISPHW-2026)' শীৰ্ষক এক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰ অনুষ্ঠিত হ'ব। আলোচনা-চক্ৰখনত উত্তৰ-পূব ভাৰতৰ লগতে সমগ্ৰ ভাৰত, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত মানৱ স্বাস্থ্য আৰু কল্যাণ সম্বন্ধীয় বিভিন্ন দিশ, ইয়াৰ বহনক্ষম উন্নয়নৰ লক্ষ্য (এছডিজি ৩) সম্পৰ্কীয় সকলো বিষয় আলোচনা হ'ব। দুদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া আলোচনা-চক্ৰখনৰ উদ্বোধনী সভাত আদৰণী ভাষণ প্ৰদান কৰিব মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ড° লখিৰাম শইকীয়াই উদ্বোধন কৰিবলগীয়া আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰখনৰ বীজ ভাষণ প্ৰদান কৰিব কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ, বৰ্তমান আমেৰিকাৰ চিনচিনাটি বিশ্ববিদ্যালয়ৰ এমেৰিটাছ অধ্যাপক ড° ৰঞ্জন ডেকাই। ড° ডেকাই আগবঢ়াবলগীয় উক্ত বক্তৃতাটি কানৈ মহাবিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ প্ৰতিষ্ঠাপক মুৰব্বী ড° অৰুণ কুমাৰ দত্তৰ নামত উৎসৰ্গা কৰা হ'ব। আলোচনা-চক্ৰৰ লগত সংগতি ৰাখি প্ৰস্তুত কৰি উলিওৱা গৱেষণাৰ সাৰাংশ পুথি উন্মোচন কৰিব সমাজকৰ্মী জ্যোতি প্ৰসাদ কানৈয়ে। আলোচনা-চক্ৰৰ দুটা দিনৰ বিভিন্ন বৈঠকত দেশ-বিদেশক প্ৰতিনিধিত্ব কৰা কেইবাজনো গৱেষকে সমল ব্যক্তিৰূপে উপস্থিত থাকি গৱেষণা-পত্ৰ পাঠ কৰিব। আলোচনা-চক্ৰৰ বিভিন্ন বৈঠকত ক্ৰমে মুম্বাইৰ টাটা ইনষ্টিটিউট অব ছ'চিয়েল ছায়েঞ্চৰ অধ্যাপক ড° চন্দ্ৰজ্যোতি সোণোৱাল, কলকাতা বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° অৰূপ ৰতন বন্দোপাধ্যায়, আৰএমআৰচি, ডিব্ৰুগড়ৰ প্ৰসিদ্ধ বিজ্ঞানী ডাঃ প্ৰশান্ত কুমাৰ বৰা, অসম চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড়ৰ অধ্যাপক ডাঃ হেমন্ত কুমাৰ দত্তই আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰৰ শীৰ্ষক বিষয়ত নিৰ্ধাৰিত গৱেষণা-পত্ৰ পাঠ কৰিব। আলোচনা-চক্ৰৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসম চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক ডাঃ ধ্ৰুৱজ্যোতি ভূএগ্ৰা। লগতে ড° সাৰ্থক সেনগুপ্তা, ড° ফৰিদা আহমেদ দাস, ড° দীপাঞ্জনা দত্ত দাস, ড° কল্যাণ বৰুৱাকে ধৰি গণ্যমান্য ব্যক্তি উপস্থিত থাকিব।

## জয়সাগৰ সাহিত্য সভাৰ ৰূপালী জ

# গৌৰীসাগৰত ধ্বনি ক

# বিনন্দ চন্দ্ৰ বৰুৱাৰ স্মৃতি



নিয়মীয়া বাৰ্তা, গৌৰীসাগৰ, ২৪ ফেব্ৰুৱাৰী ঃ ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিয়া জয়সাগৰ সাহিত্য সভাই বৰ্ষজোৰা কাৰ্যসূচীৰে ৰূপালী জয়ন্তী উদ্‌যাপনৰ বাবে ব্যাপক প্ৰস্তুতি চলাইছে। অলপতে অনুষ্ঠিত এখন ৰাজহুৱা সভাত এখন উদ্‌যাপন সমিতি গঠন কৰা হয়। বৰ্ষজোৰা অনুষ্ঠানৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি ২২ ফেব্ৰুৱাৰীত ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ উদ্যোগত জয়সাগৰ সাহিত্য সভাৰ নিজা কাৰ্যালয়ত ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱা স্মৃতি দিৱস উদ্‌যাপন কৰা হয়। অসম সাহিত্য সভাৰ 'চিৰ চেনেহী মোৰ ভাষা জননী' গীত পৰিৱেশনেৰে শুভাৰম্ভ কৰা অনুষ্ঠানত কবিগৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে। শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যোগেশ কিশোৰ ফুকনে। অনুষ্ঠানত সদ্যপ্ৰয়াত সাংবাদিক ধীৰেন্দ্ৰনাথ চক্ৰৱৰ্তী আৰু স্থানীয় শিক্ষয়িত্ৰী নয়ন হাজৰিকাৰ বিদেহ আত্মাৰ সদ্‌গতি কামনাৰ্থে মৌন প্ৰাৰ্থনা কৰা হয়। তাৰ পাছতে ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি প্ৰদীপ বৰুৱাৰ সভাপতিত্বত এখন সভ... ব্যাখ্যা কৰে উদ্‌যাপন সমিতিৰ... গোস্বামীয়ে। ইয়াৰ পিছতে ছাত্ৰী... 'গড়গাঁড় গড়গাঁও' শীৰ্ষক কবি... সভাত নিৰ্দিষ্ট বক্তা জাঁজী হেম... জীৱমণি নাথে 'ধ্বনি কবি বি... দৰ্শন'ৰ ওপৰত আলোকপাত... জাতীয় চেতনা অপৰিসীম আ... সৃষ্টিৰাজিৰ যোগেৰে প্ৰকাশ... গগৈ, ড° পঞ্চানন বৰঠাকুৰ, ... সাহিত্যৰ সভানেত্ৰী অঞ্জলি ... শিক্ষা বিষয়া ৰেখামণি বৰ... কবিগৰাকীৰ মূল্যায়ন কৰে... 'গড়গাঁও গড়গাঁও' সূৰ্য গগৈৰে... আবৃত্তিৰে অনুষ্ঠানটো জীপাল...

# শদিয়া লিটাৰেচাৰ

নিয়মীয়া বাৰ্তা, তিনিচুকীয়া, ২৪ ফেব্ৰুৱাৰী ঃ শদিয়া ইক' কেম্পে সাহিত্য উৎসৱ, লিটাৰেচাৰ ফেষ্টিভেল নিজা উদ্যোগত আয়োজন কৰি এক নতুন ইতিহাস ৰচনা কৰিছে। প্ৰাকৃতিক পৰিৱেশৰ মাজত শদিয়া ইক' কেম্পৰ উদ্যোগত, ক'লাৰ্ছ অৱ নৰ্থ ইষ্ট আৰু শদিয়া মহাবিদ্যালয়ৰ সহযোগত দ্বিতীয় শদিয়া লিটাৰেচাৰ ফেষ্টিভেল ২২ ফেব্ৰুৱাৰীত অনুষ্ঠিত হয়। লেখক-কবি-সাহিত্যানুৰাগীৰ সমাৱেশেৰে দ্বিতীয়বাৰৰ বাবে শদিয়া লিটাৰেচাৰ ফেষ্টিভেল শদিয়াৰ শান্তিপুৰৰ অসম-অৰুণাচল সীমাৰ জীয়া নৈৰ পাৰৰ শদিয়া ইক' কেম্পত অনুষ্ঠিত হয়। শদিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা জুবিন গাৰ্গৰ 'মায়াবিনী' সমৱেত সংগীত পৰিৱেশনেৰে অনুষ্ঠানৰ শুভাৰম্ভণি কৰা হয়। সমৱেত সংগীতটো পৰিচালনা কৰে শদিয়া মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক শাৰদী বৰাই। বন্তি প্ৰজ্বলন আৰু জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠানত স্বেচ্ছাসেৱী সংগঠন ক'লাৰ্ছ অৱ নৰ্থ ইষ্টৰ সাধাৰণ সম্পাদক পাপুলক্ষ্মী ডেকাই বন্তি প্ৰজ্বলন কৰে। এই কাৰ্যসূচীত সহযোগিতা আগ বঢ়ায় শদিয়া শতদল শাখা সাহিত্য সভাৰ সভাপতি গোপীনাথ বুঢ়াগোহাঁই, সম্পাদক কমল দিহিঙীয়া, শদিয়া চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা উষাৰাণী হাজৰিকা আৰু আবৃত্তি পৰিষদ শদিয়া শাখাৰ সম্পাদিকা জিণ্টিমণি গগৈয়ে। দ্বিতীয় শদিয়া লিটাৰেচাৰ ফেষ্টিভেললৈ সকলোকে আদৰণি জ্ঞাপন আৰু সমূহ কাৰ্যসূচী পৰিচালনা কৰে ফেষ্টিভেলৰ আহ্বায়ক, ডিডিআৰ কলেজৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক লক্ষীনন্দন বৰগোহাঞিয়ে। 'আলোকপাত' শীৰ্ষক অনুষ্ঠানত 'কাৰ্টুন ঃ সমাজ আৰু সাহিত্যক প্ৰভাৱিত কৰা জোঙাল অস্ত্ৰ নে হাঁহিৰ খোৰাক' বিষয়ত আলোকপাত কৰে কাৰ্টুনিষ্ট-সাংবাদিক নিতুপৰ্ণ ৰাজবংশীয়ে।



শদিয়া মহাবিদ্যালয়ৰ ... শতিকাত বুৰঞ্জী শিক্ষা ... অনুষ্ঠানত যোৰহাট ... সমল ব্যক্তি হিচাপে ... লিটাৰেচাৰ ফেষ্টিভেল ... অধ্যক্ষ ড° ভূপেন চুটী... কৰে কবি-গল্পকাৰ-... সংগঠক, অধ্যাপক নি... গগৈ, ৰতন শদিয়াল, ... ভাজনি, ভৱানী প্ৰসাদ ... আৰু শদিয়া মহাবিদ্যা... আবৃত্তিৰে অনুষ্ঠানৰ ... শইকীয়া আৰু পূৰ্ণিমা ... লেখক-পাঠকৰ আন্তৰি... পুলিচৰ 'দ্য ট্ৰায়েল', ... 'আইপিএছৰ, উপন্যা... 'ডিভাইন কোড' গ্ৰন্থ...